*Total number of pages — 20*

B13–AS

# 2013

# ASSAMESE

## (MODERN INDIAN LANGUAGE)

## NEW COURSE

## নতুন পাঠ্যক্ৰম

**Full Marks: 100**

**Pass Mark: 30**

**Time: Three Hours**

হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ নিয়মীয়া পৰীক্ষাৰ্থী আৰু ২০১১, ২০১২ চনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ নোহোৱা নিয়মীয়া পৰীক্ষাৰ্থীৰ বাবে

পৰীক্ষাৰ্থীয়ে একেখন বহীতে GROUP–A (ক–বিভাগ) আৰু GROUP–B (খ–বিভাগ)-ৰ উত্তৰ কৰিব লাগিব

অথবা

GROUP–A (ক–বিভাগ) আৰু GROUP–C (গ-বিভাগ)-ৰ উত্তৰ একেখন বহীতে কৰিব লাগিব।

**(OLD COURSE /পুৰণি পাঠ্যক্ৰম)**

*[From Page 12]*

Google Play
Download Now!
New
SEBA/HSLC
পুৰণি
প্ৰশ্ন কাকত
HSLC Question Paper
BELLAL HOSSAIN MONDAL©

*Contd.*

## GROUP–A (ক–বিভাগ)

মূল্যাংক : ৭৫

১। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা — ৫

(ক) "এতেকে সংসাৰ সোঁতটোক মুঠতে দুটা সুঁতিত ভগাব পৰা যায়।"

এই সুঁতি দুটা কি কি, 'মনুষ্য জীৱনৰ লক্ষ্য' পাঠটিৰ আধাৰত চমুকৈ বুজাই লিখা।

(খ) 'এটা মিহি অথচ গহীন মাত' — গহীন মাতৰ গৰাকিনী বুলি কোনে, কাৰ কথা কৈছে? কথাষাৰ কিয় ক'ব লগা হৈছে?

(গ) 'লুকু ডেঙাফুকনৰ দেশভক্তি' পাঠটিৰ আলমত লুকু ডেঙাফুকনৰ দেশপ্ৰেমৰ বিষয়ে চমুকৈ আলোচনা কৰা।

২। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা — ৪

(ক) আমাৰ সাহিত্যলৈ পাশ্চাত্য সাহিত্যৰ প্ৰভাৱ কেতিয়া, কেনেকৈ আহে? পাশ্চাত্য প্ৰভাৱৰ আৰ্হিত লিখা দুখন কিতাপৰ নাম লিখা।

(খ) 'লগে লগে নতুন এদল বুৰঞ্জিয়ান আহি অসম দেশত বসবাস কৰিবলৈ ল'লে।' — ইয়াত কাৰ কথা কোৱা হৈছে? তেওঁলোক ক'ৰ পৰা আহিছিল? অসমৰ সংস্কৃতিৰ লগত তেওঁলোক কেনেদৰে মিলি গ'ল?

৩। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা — ৫

(ক) 'সেইবাবে অভিনেতা কিছু পৰিমাণে চলচ্চিত্ৰ কলাৰ কেঁচা সামগ্ৰী'

— পাঠৰ আলমত কথাষাৰ বুজাই লিখা।

(খ) গড়শালত গঢ়া কাঁহৰ সামগ্ৰীসমূহৰ বিষয়ে এটি টোকা লিখা।

৪। তলৰ প্ৰশ্নকেইটাৰ চমু উত্তৰ লিখা — ৫×২=১০

(ক) মানুহৰ জীৱনৰ সংকল্প বা লক্ষ্য কি হোৱা উচিত?



BELLAL HOSSAIN MONDAL

নাইবা

নিতুৰ ভাল নাম কি আছিল? বজ্ৰৰ জেঠায়েকে তেওঁক কি নাম দিম বুলি ভাবিছিল?

নাইবা

বাজ কাৰেঙত বৰকাঁহ বাজিলে কি সূচায়? বৰকাঁহৰ আনটো নাম কি?

(খ) পাঠত উল্লেখ থকা অনুসৰি আহোম ৰাজত্বকালত ৰচিত শাক্ত সাহিত্যৰ আভাস দিয়া।

নাইবা

মাধৱকন্দলী কোন আছিল? তেওঁ কি সংস্কৃত পুথি অসমীয়া ভাষাত অনুবাদ কৰিছিল?

(গ) সু অভিনেতা হ'বলৈ হ'লে মঞ্চকলাৰ কি কি কৌশল আয়ত্ত কৰিব লাগে?

নাইবা

কি কি ধাতুৰ মিশ্ৰণৰদ্বাৰা কাঁহ প্ৰস্তুত কৰা হয়?

(ঘ) 'এতিয়াও কওঁ, দেশৰ মঙ্গলৰ নিমিত্তে ভুল সংশোধন কৰা।' — কথাষাৰ কোনে, কাক, কিয় কৈছিল?

(ঙ) অসমৰ পুৰণি সাহিত্যৰ সমলবোৰ কি কি উল্লেখ কৰা।

৫। তলৰ প্ৰশ্নটোৰ উত্তৰ অতি চমুকৈ লিখা— ১

'প্ৰভু মোক কি দায়িত্ব দেলানা'

— কথাষাৰ কোনে কৈছিল?

৬। তলৰ যি কোনো এটা কবিতাৰ সাৰাংশ লিখা — ৪

(ক) আমাৰ গ্ৰাম।

(খ) বহাগীৰ বিয়া।

৭। তলৰ যি কোনো এছোৱা ব্যাখ্যা কৰা — ৪

(ক) জগতৰ স্বামী তুমি, মোৰ স্বামী হ'বা সেই বুলি,
দোষ মোৰ কপালৰ, আছে বহু কলঙ্কৰ মলি।

BELLAL HOSSAIN MONDAL

(খ) কঁটা কাঢ়ে মাতিছে আমাক
আমি তাৰ নিমন্ত্ৰণ প্ৰত্যাখ্যান কৰা নাই।

৮। তলৰ প্ৰশ্ন দুটাৰ চমু উত্তৰ লিখা — ৩×২=৬

(ক) "কাল মায়া কাম্পে যাৰ নাম সুমৰণে
যশোদাৰ ভয়ে তুমি কাম্পা কি কাৰণে।।"
যশোদাৰ ভয়ত কৃষ্ণই কিয় কঁপিছিল?

নাইবা

"জীৰ্ণ আভৰণ সলাই আহিছে
বাউলী সাজেৰে সাজি।"
জীৰ্ণ আভৰণ সলাই বাউলী সাজেৰে সাজি কোন কোন আহিছে?

(খ) "নহওঁ পবিত্ৰ মই, দাসী মই, সেৱিকা তোমাৰ"
দেৱদাসীয়ে নিজকে পবিত্ৰ নহয় বুলি কিয় কৈছে?

নাইবা

'যি মৰণে যুগে যুগে জীৱনক কৰিছে অমৰ
তাৰ আমন্ত্ৰণ কোনে নেওচিব পাৰে"?
কবিয়ে কি মৰণৰ কথা কৈছে?

৯। তলৰ যি কোনো এটা প্ৰশ্নৰ চমু উত্তৰ লিখা — ২

(ক) শৰাইঘাটৰ যুদ্ধ কাৰ কাৰ মাজত হৈছিল? এই যুদ্ধৰ দুয়ো পক্ষৰ সেনাপতি দুজনৰ নাম উল্লেখ কৰা।

(খ) 'মোৰ দেশ মানুহৰ দেশ' নামৰ কবিতাটোত ভাৰতৰ উত্তৰে আৰু দক্ষিণে কি আছে বুলি কৈছে?

১০। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ অতি চমুকৈ উত্তৰ লিখা — ১×৪=৪

(ক) লয়গুচোৰ বুলি কাৰ কথা কৈছে?

(খ) ভগৱানক কিহৰদ্বাৰা বশ কৰিব পাৰি?

(গ) ৰঘুনাথ চৌধুৰীৰ এখন কবিতা পুথিৰ নাম লিখা।

BELLAL HOSSAIN MONDAL

(ঘ) 'বহাগীৰ বিয়া' কবিতাটি কবিৰ কোনখন কবিতা পুথিৰ অন্তৰ্গত?

(ঙ) 'আমাৰ নিয়ম' নামৰ কবিতাটোৰ ৰচক কোন?

(চ) দেৱদাসী কোন?

(ছ) 'মোৰ দেশ মানুহৰ দেশ' কবিতাটোৰ ৰচক কোন?

১১। তলত দিয়া যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখা — ২×৫=১০

(ক) তলৰ যি কোনো দুটা শব্দত 'ণ' আৰু 'ষ' কি কাৰণে হৈছে, বুজাই লিখা —
ঋণ, কাৰণ, শ্ৰীচৰণেষু, ৰবযুণ।

(খ) ব্যাস বাক্য-সহ সমাসৰ নাম লিখা — (যি কোনো দুটাৰ)
বামবাৰণ, পীতাম্বৰ, হাতদীঘল, জলচৰ।

(গ) যি কোনো দুটা শব্দৰ সন্ধি ভাঙা —
হিমাচল; গিৰীন্দ্ৰ, যথেষ্ট, উচ্ছেদ।

(ঘ) তলৰ যি কোনো দুটাৰ অৰ্থ লিখি একোটাকৈ বাক্য ৰচনা কৰা —
ঘোঁৰাৰ পচলা; হাত লৰ; চকু চৰহা; কাণে কাণ মাৰি।

(ঙ) বিপৰীতাৰ্থক শব্দ লিখা (যি কোনো দুটা)
আশা; উন্নতি; উত্তম; কৃতজ্ঞ।

(চ) এটা শব্দত প্ৰকাশ কৰা : (যি কোনো দুটা)
মনতে থাকি কৰিব পৰা উদ্যোগ; যাৰ মৰণ নাই ; কাঁহৰ বাচন গঢ়োতা।

(ছ) যথাস্থানত যতি চিহ্ন দিয়া —
মই কিন্তু নৰওঁ এতিয়াই যামগৈ

(জ) নিৰ্দেশ অনুসৰি তলৰ বাক্যদুটা পৰিবৰ্তন কৰা —
অসাধু লোকক কোনেও সন্মান নকৰে। *(জটিল বাক্যলৈ নিয়া)*
যি মানুহে দেশক ভাল নাপায়, তেওঁৰ জীৱন বৃথা। *(সৰল বাক্যলৈ পৰিবৰ্তন কৰা)*

(ঝ) তলৰ যি কোনো দুটাৰ সমাৰ্থক শব্দ লিখা :
ব্যথা, কঙ্কণ, হৃদয়

BELLAL HOSSAIN MONDAL

১২। (ক) ভাৱ সম্প্ৰসাৰণ কৰা — ৪

'যি মূলা বাঢ়ে তাৰ দুপাততে চিন।'

*নাইবা*

(খ) শাৰীৰিক অসুস্থতাৰ বাবে তুমি দুদিন স্কুললৈ আহিব পৰা নাছিলা, তাৰ বাবে ছুটী বিচাৰি বিদ্যালয়ৰ প্ৰধান শিক্ষকলৈ এখন আবেদন প্ৰস্তুত কৰা। ৪

*(আবেদনত কাৰো নাম, ঠিকনা আদি নিলিখিবা)*

১৩। তলত দিয়া যি কোনো এটি বিষয়ৰ ওপৰত এখন ৰচনা লিখা — ৮

(ক) তোমাৰ প্ৰিয় গ্ৰন্থখন

(আৰম্ভণি — লিখকৰ পৰিচয় — গ্ৰন্থখনৰ বিষয়বস্তু — ভাল লগাৰ কাৰণ — সামৰণি।

(খ) তোমাৰ জীৱনৰ লক্ষ্য

(আৰম্ভণি — কাৰণ — লক্ষ্যত উপনীত হোৱাৰ উপায় — সামৰণি।

(গ) অসমৰ কুটীৰ শিল্প।

(আৰম্ভণি — কুটীৰ শিল্প কি — কুটীৰ শিল্পৰ সমস্যা আৰু সমাধানৰ উপায় — সামৰণি)

১৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা — ২×২=৪

(ক) প্ৰেৰণাই বৃত্তিৰ পইচাখিনি কিয় জিলমিলক দিব খুজিছিল?

(খ) স্কুলৰ বাৰ্ষিক সভাত প্ৰেৰণাই পোৱা পুৰস্কাৰৰ তালিকা এখন প্ৰস্তুত কৰা।

(গ) "মই তোমাক আশীৰ্বাদ কৰিছো, তোমাৰ কণ্ঠত সৰস্বতী বিৰাজ কৰক।"

কোনে, কি প্ৰসঙ্গত কথাষাৰ কৈছিল?

(ঘ) জিলমিলে আগৰ স্কুলখন এৰি কিয় বেলেগ স্কুললৈ যাব লাগিব বুলি কৈছিল?

১৫। তলৰ যি কোনো দুটা চৰিত্ৰৰ চমু পৰিচয় দিয়া — ২×২=৪

(ক) প্ৰেৰণা

(খ) সৌৰভ

(গ) সুলেখা

(ঘ) সুস্মিতা

BELLAL HOSSAIN MONDAL

## GROUP–B (খ-বিভাগ)

মূল্যাংক : ২৫

১৬। তলৰ প্ৰশ্ন দুটাৰ চমু উত্তৰ লিখা — ৩×২=৬

(ক) তীৰ্থভ্ৰমণৰ সময়ত শংকৰদেৱে শিমলু গছৰ ছাঁ নপাছকি হাবিলৈ কিয় গৈছিল?

**নাইবা**

(খ) মাধৱদেৱে গণকখুচিৰ পৰা কিয় গুৰুজনালৈ চাউল আনিছিল?

(গ) চিলাৰায়ে আয়োজনজালৈ কেইজন কটকী পঠিয়াইছিল? তেওঁলোকৰ নাম কি কি?

**নাইবা**

(ঘ) সোন্দৰ গোহাঁইৰ মৃত্যু কেনেকৈ হৈছিল?

১৭। তলৰ যি কোনো দুটা প্ৰশ্নৰ অতি চমু উত্তৰ দিয়া — ১×২=২

(ক) শংকৰদেৱে 'বৰা পো' বুলি কাক মাতিছিল?

(খ) শংকৰদেৱে তেওঁৰ গুৰু কোন বুলি কৈছিল?

(গ) স্বৰ্গদেৱ প্ৰতাপসিংহলৈ দিয়া কোচৰাজকন্যাগৰাকীৰ নাম কি আছিল?

(ঘ) শিহুঁীত বেহা কৰা সদাগৰজনৰ নাম কি আছিল?

১৮। তলৰ যি কোনো দুটা প্ৰশ্নৰ চমু উত্তৰ লিখা — ৩×২=৬

(ক) চিত্ৰকূট বৰ্ণন কবিতাটিত বৰ্ণনা কৰা ফুলসমূহৰ উল্লেখ কৰা।

(খ) মাধৱ কন্দলীৰ চমু পৰিচয় দিয়া।

(গ) 'তথাপি তোহ্মাক দেখয়ো ভৰত
উৰি যায় মোৰ জীউ'
কোনে, কাক, কিয় এই কথাষাৰ কৈছিল?

BELLAL HOSSAIN MONDAL

(ঘ) "কাঠ-বাঁজী বুলি জগতে হাসায়
দেখিলে সুমৰে হবি" ২

কাঠ-বাঁজী বুলি কাক কৈছে? ইয়াৰ অৰ্থ কি? এই অপবাদৰ পৰা তেওঁক কোনে ৰক্ষা কৰিলে?

১৯। তলৰ যি কোনো দুটা প্ৰশ্নৰ অতি চমু উত্তৰ লিখা — ১×২=২

(ক) কপিল মুনিৰ মাতৃৰ নাম কি?

(খ) কি ৰূপ ধাৰণ কৰি কৃষ্ণই দেৱতাসকলক অমৃত খুৱাইছিল?

(গ) কোনবিধ ফলক শ্ৰীফল বোলে?

(ঘ) নাগেশ্বৰ ফুলক কোন নৃপতিৰ দণ্ড বুলি কোৱা হৈছিল?

২০। (ক) তলত দিয়া যি কোনো এটা বাক্য শুদ্ধ ৰূপত লিখা — ১

তোমাৰ দেউতা ঘৰত আছেনে?

ভাত খাই স্কুল যাবা।



(খ) উপসৰ্গ কাক বোলে? ১

(গ) অনুসৰ্গ যোগ কৰি দুটা শব্দ লিখা। ১

(ঘ) 'নিশা' শব্দৰ এটা সমাৰ্থক ৰূপ লিখা। ১

(ঙ) 'মাথৈ' নাইবা 'পুহাইল' শব্দৰ আধুনিক ৰূপ লিখা। ১

২১। তলৰ যি কোনো দুটাৰ চমুটোকা লিখা — ২×২=৪

(ক) পয়াৰ

(খ) চৰণ

(গ) অনুপ্ৰাস

(ঘ) মিত্ৰাক্ষৰ ছন্দ

(ঙ) দুলড়ী ছন্দ

BELLAL HOSSAIN MONDAL

## GROUP–C (গ–বিভাগ)

## (SANSKRIT)

BELLAL HOSSAIN MONDAL

মূল্যাংক : 25

***(FOR BOTH NEW & OLD COURSES)***

***(নতুন আৰু পুৰণি পাঠ্যক্ৰমৰ বাবে)***

**(হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ নিয়মীয়া পৰীক্ষাৰ্থীসকলৰ লগতে প্ৰাইভেট পৰীক্ষাৰ্থীসকলৰ বাবেও)**

1. Translate **any two** of the following into your mother language : 4×2=8
তলৰ যি কোনো দুটা তোমাৰ মাতৃভাষালৈ অনুবাদ কৰা :

*(a)* ततः व्यासः गणेशम् अस्मरत्। गणेशः अपि स्मृतमात्रः तत्र <u>आगतः</u>। तदा व्यासेन उक्तम् — गणेश! मया प्रोच्य-मानस्य मनसा कल्पितस्य च अस्य काव्यस्य त्वं लेखकः भव।

*(b)* आलेक-जेण्डारः अपृच्छत् - 'त्वया सह कीदृक् व्यवहर्तव्यम्' इति। पुरुः सगर्वम् अभाषत — महावीरः राजानं प्रति राजोचितव्यवहारः <u>कार्यः</u> इति।

*(c)* भास्करवर्मणि कामरूपराज्यं <u>शासति</u> विविधानां कलानां शिल्पानां च समुन्नति-रजायत। आसीत् कुमारो विदुषां परमः सुहृत्। तस्य राजत्वकाले प्रजानां दुःखलेशोऽपि नासीत्।

2. Answer **any one** of the following questions : 3
তলৰ প্ৰশ্নবোৰৰ ভিতৰত যি কোনো এটাৰ উত্তৰ লিখা :

*(a)* Mention the six causes of happiness.
সুখৰ ছয়টা কাৰণ উল্লেখ কৰা।

*(b)* Quote from memory a verse from your text showing the glory of a meritorious son.
গুণী পুত্ৰৰ মহত্ত্ব সম্পৰ্কে উল্লেখ থকা তোমাৰ পাঠ্যপুথিৰ এটি শ্লোক মুখস্থ লিখা।

3. Answer **any one** of the following questions :
তলৰ প্ৰশ্নবোৰৰ যি কোনো এটাৰ উত্তৰ লিখা :

*(a)* अथ राजा तान् विवेकरहितान् <u>आलोक्य</u> .... अभाषत।
Who is referred to as 'राजा' here and whom did the 'राजा' tell ? 1+1=2
ইয়াত 'ৰজা' বুলি কাক বুজোৱা হৈছে আৰু ৰজাই কাক কথাখিনি কৈছিল?

(b) What is the moral of the story 'मित्रबोधेर्भल्लूकस्य कथा'? 2

'মিত্ৰবোধৰ্ভল্লুকস্য কথা' সাধুটোৰ পৰা কি নীতি শিক্ষা পোৱা যায়?

4. Fill in the blanks in the following verse : 2

তলৰ শ্লোকটিৰ খালি ঠাই পূৰণ কৰা :

अल्पानामपि ____ संहतिः कार्यसाधिका।
तृणैर्गुणत्वमापन्नैर्बध्यन्ते ____ ॥

**Or / অথবা**

यथा फलानां ____नान्यत्र पतनाद् भयम्।
____ नरस्य जातस्य नान्यत्र मरणाद् भयम्॥

5. (a) Derive any two of the following : 1×2=2

তলৰ যি কোনো দুটাৰ ব্যুৎপত্তি নির্ণয় কৰা :

(i) आगतः in Q. No. 1(a)

1 নং (a) প্ৰশ্নত।

(ii) कार्यः in Q. No. 1(b)

1 নং (b) প্ৰশ্নত।

(iii) शास्ति in Q. No. 1(c)

1 নং (c) প্ৰশ্নত।

(iv) आलोक्य in Q. No. 3(a)

3 নং (a) প্ৰশ্নত।

(b) Account for case-ending in any one of the following : 1

তলৰ যি কোনো এটাৰ কাৰক বিভক্তি নির্ণয় কৰা :

व्यासेन in Q. No. 1(a)

1 নং (a) প্ৰশ্নত।

BELLAL HOSSAIN MONDAL

भास्करवर्माणि in Q. No. 1*(c)*

1 নং *(c)* প্ৰশ্নত।

*(c)* Decline **any two** of the following : 1×2=2

তলৰ যি কোনো দুটাৰ শব্দৰূপ লিখাঁ :

*(i)* इदम् (in masculine) in 1st case-ending plural.

इदम् (পুংলিঙ্গত) প্ৰথমাৰ বহুবচনত।

*(ii)* मुनि in 4th case-ending singular.

मुनि চতুৰ্থীৰ একবচনত।

*(iii)* साधु in 6th case-ending plural.

साधु ষষ্ঠীৰ বহুবচনত।

*(iv)* पितृ in 7th case-ending singular.

पितृ সপ্তমীৰ একবচনত।

*(d)* Conjugate **any two** of the following : 1×2=2

তলৰ যি কোনো দুটাৰ ধাতুৰূপ লিখাঁ :

√श्रु + लोट् हि ; √हन् + लट् ति ; √अस् + लृट् स्यति ; √दृश + लट् अन्ति।

*(e)* Frame adjectives from **any two** of the following nouns : 1½×2=3

তলৰ যি কোনো দুটা বিশেষ্য পদৰ বিশেষণ পদ গঠন কৰাঁ :

विष्णुः ; पृथिवी ; ईश्वरः, वर्षा।

BELLAL HOSSAIN MONDAL

———×———

# 2013

# ASSAMESE

# (MODERN INDIAN LANGUAGE)

## OLD COURSE

## পুৰণি পাঠ্যক্ৰম

**Full Marks: 100**

**Pass Mark: 30**

**Time: Three Hours**

হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পুৰণি পাঠ্যক্ৰমৰ
প্ৰাইভেট্ পৰীক্ষাৰ্থীৰ বাবে।

এই সকল পৰীক্ষাৰ্থীয়ে একেখন বহীতে GROUP–A (ক–বিভাগ)
আৰু GROUP–B (খ–বিভাগ)-ৰ উত্তৰ কৰিব লাগিব

অথবা

GROUP–A (ক–বিভাগ) আৰু GROUP–C (গ-বিভাগ)-ৰ
উত্তৰ একেখন বহীতে কৰিব লাগিব।

GROUP–C (গ-বিভাগ) সংস্কৃতৰ প্ৰশ্ন নতুন পাঠ্যক্ৰমৰ প্ৰশ্নকাকতত দিয়া হৈছে।

Google Play
Download Now!
New
SEBA/HSLC
পুৰণি
প্ৰশ্ন কাকত
HSLC Question Paper
BELLAL HOSSAIN MONDAL©

## GROUP–A (ক–বিভাগ)

মূল্যাংক : ৭৫

১। তলৰ প্ৰশ্ন দুটাৰ উত্তৰ লিখা — ২×৫=১০

(ক) মানুহৰ সংগৰ নিচিনা পুথিৰ সংগয়ো আমাৰ চৰিত্ৰৰ ওপৰত কেনেদৰে কাৰ্য কৰে পাঠৰ আলমত চমুকৈ বৰ্ণনা কৰা।

*নাইবা*

"ভাৰতীয় সংস্কৃতি এক বিৰাট সমন্বয়ৰ বস্তু"। চমুকৈ বুজাই লিখা।

(খ) মহাত্মা গান্ধীয়ে কিয় মাংস খাবলৈ এৰিছিল চমুকৈ বুজাই লিখা।

*নাইবা*

মহাত্মা গান্ধীয়ে সোণ চুৰি কৰা কথাটো পিতাকৰ আগত কেনেকৈ প্ৰকাশ কৰিছিল বুজাই লিখা।

২। (ক) 'পুথিৰ বিদ্যা থুপাই থোৱা ধনৰ নিচিনা' — কথাষাৰ বুজাই লিখা। ৩

*নাইবা*

মুছলিমযুগৰ ভাৰতীয় ভাস্কৰ্য আৰু শিল্পকলাৰ বিষয়ে চমুকৈ লিখা। ৩

(খ) 'বৰ অসম' কথাষাৰেৰে লেখকে কি বুজাইছে? ৩

*নাইবা*

'দুখীয়াৰনো আইন-কানুন কি?' 'ঘুনুচা' গল্পটোত কিয় এনেদৰে কৈছে? ৩

৩। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ লিখা — ২×৩=৬

(ক) পুথি-অধ্যয়নৰ দুটা উপকাৰিতা উল্লেখ কৰা।



BELLAL HOSSAIN MONDAL

(খ) মণিৰাম কোন? তাৰ শেষ পৰিণতি কি হ'ল?

(গ) 'এই দুই মোৰ পো' — এইষাৰ কথা কোনে, কাক উদ্দেশ্য কৰি কৈছিল?

৪। তলৰ প্ৰশ্নকেইটাৰ অতি চমু উত্তৰ লিখা : ১×৩=৩

(ক) আত্মহত্যাৰ সংকল্প এৰি সান্ত্বনা লভিবলৈ মহাত্মা গান্ধীয়ে কোন মন্দিৰলৈ যাবলৈ স্থিৰ কৰিছিল?

(খ) মহাৰাজ নৰনাৰায়ণে ৰামসৰস্বতীৰদ্বাৰা কোনখন সংস্কৃত মহাকাব্য অনুবাদ কৰাইছিল?

(গ) 'ঘুনুচা' গল্পৰ ৰচক কোন?

৫। তলৰ যি কোনো এটা কবিতাৰ সাৰাংশ লিখা ৫

(ক) চকুলো

(খ) গীত আৰু ছবি

৬। প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা : ৫

যাহাৰ মায়াৰ অন্ত ব্ৰহ্মা হৰে নপাৰন্ত
হেন হৰি চাতুৰী খেলায়।
কহয় মাধৱ প্ৰভু আৰ কিছু নুবুলিয়ো
তোমাৰ জননী দুখ পায়।।

৭। তলৰ প্ৰশ্ন দুটাৰ উত্তৰ লিখা : ৩×২=৬

(ক) 'সদায় চকুৰে দেখা গছ পাতটিও
ছবিটিত ভাল হৈ পৰে।'
— কবিয়ে কিয় এনেদৰে কৈছে?

BELLAL HOSSAIN MONDAL


নাইবা

'তোমাৰ ফুলনিবাৰী, তোমাৰেই তৰুলতা' — 'চকুলো' কবিতাৰ অন্তৰ্গত এই কথাৰে কবিয়ে কি বুজাইছে?

(খ) 'তোমাহেন প্ৰিয় নিধি,
পঠিয়াই দিলে বিধি,
স্বৰ্গীয় দূতৰ বেশে কণ্ঠে সুধা সানি।'
— বিধিয়ে কাক, কিয় এনেদৰে পঠিয়াই দিলে?

৮। কেনেকুৱা গীত আৰু ছবিক সকলোৱে ভাল বুলি কয়? ২

৯। তলৰ প্ৰশ্ন দুটাৰ চমু উত্তৰ দিয়া : ১×২=২



(ক) ৰঘুনাথ চৌধাৰী কি কবি হিচাপে পৰিচিত?

(খ) কবিয়ে বিহংগিনীক কি স্বৰত গীত গাবলৈ আবেদন জনাইছিল?

১০। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা — ২×৪=৮

(ক) তলৰ শব্দ দুটাত 'ণ' আৰু 'ষ' কি কাৰণে হৈছে বুজাই লিখা।
ৰাৱণ, শ্ৰীচৰণেষু

(খ) যথাস্থানত যতি চিহ্ন দিয়া —
মই কিন্তু নৰওঁ এতিয়াই যামগৈ

(গ) ব্যাস বাক্যসহ সমাসৰ নাম লিখা (যি কোনো দুটা)
ৰামৰাৱণ; নীলাম্বৰ; হাতদীঘল; জলচৰ।

BELLAL HOSSAIN MONDAL

(ঘ) তলৰ যি কোনো দুটা শব্দৰ সন্ধি ভাঙা —

নীলাচল; দেৱেন্দ্ৰ; যথেষ্ট; যথাৰ্থ।

(ঙ) অৰ্থ প্ৰকাশ হোৱাকৈ একোটাকৈ বাক্য ৰচনা কৰা —

ঘোদৰ পচলা ; হাত লৰ।

(চ) তলৰ শব্দদুটাৰ একোটাকৈ সমাৰ্থক শব্দ লিখা —

নিৰানন্দ ; কৃতজ্ঞ।

(ছ) নিৰ্দেশ অনুসৰি তলৰ বাক্য দুটা পৰিৱৰ্তন কৰা।

যি মানুহে দেশক ভাল নাপায়; তেওঁৰ জীৱন বৃথা। *(সৰল বাক্যলৈ)*

অসাধু লোকক কোনোৱে সন্মান নকৰে। *(জটিল বাক্যলৈ)*

(জ) তলৰ দুটা শব্দৰ বিপৰীতাৰ্থক শব্দ লিখা —

দিন, পোহৰ, সুখ, কৃতজ্ঞ।

১১। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা — ৪

(ক) ভাব সম্প্ৰসাৰণ কৰা —

"বাইজে নখ জোকাৰিলে নৈ বয়।"

***নাইবা***

(খ) শাৰীৰিক অসুস্থতাৰ বাবে তুমি এদিন স্কুললৈ আহিব পৰা নাছিলা, তাৰ বাবে ছুটী বিচাৰি প্ৰধান শিক্ষকলৈ এখন আবেদন প্ৰস্তুত কৰা।

*(আবেদনত কাৰো নাম, ঠিকনা আদি নিলিখিবা)*



BELLAL HOSSAIN MONDAL

১২। তলৰ যি কোনো এখনি ৰচনা লিখা — ৮

(ক) তোমাৰ প্ৰিয় গ্ৰন্থ এখন
(আৰম্ভণি — লিখকৰ পৰিচয় — গ্ৰন্থখনৰ পৰিচয় — ভাল লগাৰ কাৰণ — সামৰণি।

(খ) অসমৰ কুটীৰ শিল্প।
(আৰম্ভণি — কুটীৰ শিল্প কি — কুটীৰ শিল্পৰ প্ৰকাৰ — প্ৰয়োজনীয়তা — সামৰণি)

(গ) ছাত্ৰৰ কৰ্তব্য
(আৰম্ভণি — বিদ্যা অৰ্জন — চৰিত্ৰ গঠন — জ্যেষ্ঠ জনৰ প্ৰতি কৰ্তব্য — সমাজৰ প্ৰতি কৰ্তব্য — সামৰণি।

১৩। তলৰ যি কোনো এখন দ্ৰুতপাঠ্যৰ পৰা দুটাকৈ প্ৰশ্নৰ উত্তৰ লিখা — ৫×২=১০

### সপোনৰ ভাৰত

(ক) শৈশৱৰ কোন দুটা কথা ড° কালামৰ স্মৃতি হৈ ৰৈ গ'ল?

(খ) 'ৰাষ্ট্ৰপতি ভৱন' সম্পৰ্কে চমুকৈ লিখা।

(গ) ড° কালামৰ জন্মস্থানৰ এটি বৰ্ণনা দিয়া।

(ঘ) ড° কালাম শিৱানন্দৰ ওচৰলৈ কিয় গৈছিল? স্বামীজীয়ে তেওঁক কি পৰামৰ্শ দিছিল?

### ডাৰউইন : যুগান্তকাৰী বিজ্ঞানী

(ক) ডাৰউইনৰ ছাত্ৰ-জীৱন সম্পৰ্কে এটি টোকা লিখা।

(খ) বাইবেলৰ সৃষ্টি-তত্ত্বটি চমুকৈ লিখা।

(গ) ডাক্তৰী শিক্ষাত ডাৰউইনে মনোনিৱেশ কৰিব পাৰিছিলনে চমুকৈ লিখা।

(ঘ) গালাপাগাচ দ্বীপপুঞ্জক কিয় বৈজ্ঞানিক তথ্যৰ সোণৰ খনি বোলা হৈছে?

BELLAL HOSSAIN MONDAL

## GROUP–B (খ–বিভাগ)

মূল্যাংক : ২৫

১৪। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা — ৪

(ক) কৰ্ণক তেওঁৰ প্ৰকৃত পৰিচয় কোনে, কেনেদৰে সোঁৱৰাই দিছিল চমুকৈ বৰ্ণনা কৰা।

(খ) কুৰুক্ষেত্ৰ ৰণ বন্ধ কৰিবলৈ কৃষ্ণই কি দৰে যত্ন কৰিছিল পাঠৰ আধাৰত বৰ্ণনা কৰা।

১৫। তলৰ প্ৰশ্ন দুটাৰ চমু উত্তৰ লিখা — ২×২=৪

(ক) 'হৰিবংশ'ৰ নাৰদৰ চৰিত্ৰটো অসমীয়া কবিয়ে কেনেদৰে অংকন কৰিছিল?

(খ) পাঠত বৰ্ণনা কৰা কৃষ্ণৰ দুগৰাকী পত্নী কোন কোন? শংকৰদেৱৰ কোনখন নাটকৰ পৰা তেওঁলোকৰ কথা উত্থাপন কৰা হৈছে?

১৬। প্ৰসংগ সংগতি দৰ্শাই তলৰ যি কোনো এফাঁকিৰ ব্যাখ্যা কৰা — ১+৪=৫

(ক) নাহি আদি অন্ত পূৰ্বাপৰ।
পূৰ্ণ ব্ৰহ্ম জগত ঈশ্বৰ।।

(খ) যাক যোগী নপাৱে ধ্যানত।
হেন হৰি পলান্ত ভয়ত।।

১৭। তলৰ যি কোনো তিনিটা প্ৰশ্নৰ অতি চমু উত্তৰ লিখা — ১×৩=৩

(ক) লখিন্দৰৰ ভায়েক কেইজন আছিল?

(খ) 'সৰ্প দংশনত লখিন্দৰ' কবিতাটোৰ ৰচক কোন?

(গ) লখিন্দৰৰ পত্নীৰ নাম কি আছিল?

(ঘ) কালসৰ্পে দংশন কৰা সময়ত লখিন্দৰ ক'ত আছিল?

BELLAL HOSSAIN MONDAL

৮। তলৰ যি কোনো তিনিটা বাক্য শুদ্ধৰূপত লিখা — ১×৩=৩

(ক) ৰাম যোৱাকালি ঘৰৰ পৰা আহিছে।

(খ) তোমাৰ দেউতা বৰ ভাল মানুহ।

(গ) স্কুল দহটা বজাত আৰম্ভ হব।

(ঘ) তুমি স্কুল যাবানে?

(ঙ) সদায় তাক গালি দি নাথাকিবাচোন।

৯। অনুসর্গ আৰু উপসর্গ ব্যৱহাৰ কৰি দুটা শব্দ লিখা। ১×২=২

১০। তলৰ যি কোনো দুটাৰ চমু টোকা লিখা — ২×২=৪

(ক) মিত্ৰাক্ষৰ ছন্দ

(খ) দুলড়ী ছন্দ

(গ) পয়াৰ ছন্দ

(ঘ) ছবি ছন্দ



———×———

BELLAL HOSSAIN MONDAL